# অসম জাতীয় বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন

নুনমাটি, গুৱাহাটী ৫ ছেপ্টেম্বৰ : নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনৰ লগত সংগতি ৰাখি 'শিক্ষক দিৱস' পালন কৰা হয়। এই অনুষ্ঠান দুটা পৰ্য্যায়ত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ প্ৰথম পৰ্য্যায় অংকুৰ শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈকে আৰু দ্বিতীয় পৰ্য্যায়ত ষষ্ঠ শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণীলৈকে অনুষ্ঠিত কৰা হয়। প্ৰথম পৰ্য্যায়ৰ অনুষ্ঠানৰ আৰম্ভণিতে ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিদেৱে। ইয়াৰ পিছতে শিক্ষয়িত্ৰী চন্দনা মেধিয়ে মহান মনিষী গৰাকীৰ জীৱন সম্পৰ্কে বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত একাংশ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত কবিতা পৰিৱেশন কৰে। এই অনুষ্ঠানৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী অৰুণিমা দত্ত আৰু প্ৰিয়াংশ্ৰী পৰাশৰে।

দ্বিতীয় পৰ্য্যায়ৰ অনুষ্ঠান আৰম্ভ কৰা হয় গুৰু বন্দনাৰ এটি নৃত্যৰে। অনুষ্ঠানত শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে নৱম শ্ৰেণীৰ ছাত্ৰ জনম সুন্দৰ ভট্টাচাৰ্য্যই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে আমন্ত্ৰণ কৰি অনা হয় বিশিষ্ট শিক্ষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, অধ্যাপক ডঃ মহেশ ভূঞাদেৱক। তেখেতে ছাত্ৰ আৰু শিক্ষকৰ মাজৰ মধুৰ সম্পৰ্কৰ সন্দৰ্ভত বিভিন্ন অভিজ্ঞতা প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৰগৰ্ভমূলক বক্তৃতা আগবঢ়ায়। বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাদেৱে ৰাধাকৃষ্ণণৰ লগতে শিক্ষাগুৰুসকলক সোঁৱৰণ কৰি শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ উপকৃত হোৱাকৈ তত্ত্বগধুৰ বক্তৃতা দাঙি ধৰে। অনুষ্ঠানত একাংশ ছাত্ৰ-ছাত্ৰীয়ে গীত, নৃত্য আৰু কবিতা আবৃত্তি পৰিৱেশন কৰে। বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাদেৱে শিক্ষকৰ সন্মান আৰু মৰ্য্যদা সম্পৰ্কত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী উদয়া ফুকনে শিক্ষক হিচাপে তেখেতৰ উপলব্ধি প্ৰকাশৰ লগতে শিক্ষাগুৰুসকলক স্মৰণ কৰি শিক্ষাৰ্থী আৰু শিক্ষকসকল উপকৃত হোৱাকৈ তেখেতৰ বক্তব্য প্ৰকাশ কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ ৰুবিক্‌চ কিউবৰ বিশেষ শাখাত বিশ্ব চেম্পিয়ন হৈ সমগ্ৰ ৰাজ্য আৰু অসম জাতীয় বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা কাব্যনীল তালুকদাৰক বিদ্যালয়ৰ তৰফৰপৰা আজিৰ এই বিশেষ দিনটোত সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানটোৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বৰষা বৰ্মন আৰু অভিষেক নাথে। সমগ্ৰ অনুষ্ঠানটোৰ পৰিচালনাৰ দায়িত্বত থাকে প্ৰীতিলতা পাটগিৰী।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
০৫/০৯/২০১৫